হে লোকসকল! মই এইটো কৰাৰ কাৰণ হৈছে যাতে তোমালোকে মোক অনুসৰণ কৰিব পাৰা আৰু মোৰ নামাজ ভালকৈ শিকি লব পাৰা।

আবু হাঝিম ইবনে দীনাৰৰ পৰা বৰ্ণিত, (এদিনাখন) কিছুমান লোক ছাহল ইবনে ছাআদ আচ-ছায়িদীৰ ওচৰলৈ আহিল আৰু মিম্বৰখন কি কাঠেৰে নিৰ্মিত আছিল সেই বিষয়ে তেওঁলোকৰ মনত প্ৰশ্ন জাগিছিল। তেওঁলোকে এই বিষয়ে তেওঁক প্ৰশ্ন কৰাত তেওঁ ক’লেঃ আল্লাহৰ শপত! সেইখন কিহেৰে নিৰ্মিত আছিল সেয়া মই ভালকৈয়ে জানো। ইয়াক যিদিনা প্ৰথম স্থাপন কৰা হৈছিল আৰু যিদিনা ইয়াৰ ওপৰত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰথম বহিছিল সেয়াও মই দেখিছিলোঁ। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আনছাৰী এজনী মহিলাৰ ওচৰলৈ (বৰ্ণনাকাৰীয়ে কৈছে, ছাহলে উক্ত মহিলাজনীৰ নামো উল্লেখ কৰিছিল) এই নিৰ্দেশ দি পঠিয়াছিল যে, "তোমাৰ কাঠমিস্ত্ৰী দাসৰ জৰিয়তে মোৰ বাবে এনেকুৱা এখন আসন বনাই দিয়া, যাৰ ওপৰত বহি মই মানুহৰ লগত কথা পাতিব পাৰোঁ।" ইয়াৰ পিছত সেই মহিলাগৰাকীয়ে তাক আদেশ দিলে আৰু সি (মদীনাৰ পৰা ন মাইল দূৰত থকা) অৰণ্যৰ কাঠেৰে তৈয়াৰ কৰি আনিলে আৰু মহিলাগৰাকীয়ে সেইখন ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ পঠিয়াই দিলে। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ নিৰ্দেশত ইয়াতেই ইয়াক স্থাপন কৰা হৈছিল। মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক ইয়াৰ ওপৰত নামাজ পঢ়াও দেখিছোঁ, ইয়াৰ ওপৰত উঠি তেখেতে তাকবীৰ দিছিল আৰু ইয়াৰ ওপৰতে ৰূকু কৰিছিল, আৰু মিম্বৰৰ পৰা নামি আহি মিম্বৰৰ গুৰিত ছাজদাহ কৰিছিল।
ইয়াৰ পিছত পুনৰ এনেকৈ কৰিছিল। নামাজ শেষ কৰি তেখেতে মানুহক সম্বোধন কৰি কৈছিলঃ "হে লোকসকল! মই এইটো কৰাৰ কাৰণ হৈছে যাতে তোমালোকে মোক অনুসৰণ কৰিব পাৰা আৰু মোৰ নামাজ ভালকৈ শিকি লব পাৰা।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ব্যৱহাৰ কৰা তেখেতৰ মিম্বৰ সম্পৰ্কে সুধিবলৈ কেইজনমান লোক এজন চাহাবীৰ ওচৰলৈ গ'ল। দৰাচলতে তেওঁলোকৰ প্ৰশ্নটো আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ মিম্বৰখন কিহেৰে নিৰ্মিত আছিল, তেওঁলোকে বিষয়টোকলৈ বিপাঙত পৰিছিল তথা বিতৰ্কত লিপ্ত হৈছিল, ইয়াৰ সমাধান প্ৰদান কৰি চাহাবীজনে ক'লে যে, আনচাৰী এজনী মহিলাৰ কাঠমিস্ত্ৰী এজন দাস আছিল, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেই মহিলাজনীৰ ওচৰলৈ নিৰ্দেশ পঠিয়াই ক'লে যে, তুমি তোমাৰ দাসজনক কোৱা সি যেন মোৰ বাবে এখন মিম্বৰ নিৰ্মাণ কৰি দিয়ে, যাতে সেইখনৰ ওপৰত বহি মই মানুহক সম্বোধন কৰিব পাৰোঁ। মহিলাগৰাকীয়ে তেখেতৰ কথামতে দাসজনক ঝাউবন গছেৰে এখন মিম্বৰ নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দিলে। সেইখন নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ পঠিয়াই দিলে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেইখনক মছজিদৰ যি ঠাইত ৰাখিবলৈ নিৰ্দেশ দিছিল সেই ঠাইতে ৰখা হৈছিল। ইয়াৰ পিছত তেখেতে সেইখনৰ ওপৰত নামাজ পঢ়ি দেখুৱাইছিল, সেইখনৰ ওপৰত তাকবীৰ দিছিল, ৰূকু কৰিছিল আৰু ছাজদাৰ বাবে পিছুৱাই নামি আহি মিম্বৰৰ গুৰিত ছাজদাহ কৰিছিল। নামাজ শেষ হোৱাৰ পিছত তেখেতে লোকসকলক সম্বোধন কৰি ক'লেঃ "হে লোকসকল! মই এইটো এইকাৰণে কৰিলোঁ যাতে তোমালোকে মোক পৰিপূৰ্ণৰূপে অনুসৰণ কৰিব পাৰা আৰু মোৰ নামাজ ভালকৈ শিকি লব পাৰা।"

